# অসম জাতীয় বিদ্যালয়
## Assam Jatiya Bidyalay

কৰ্ম মোৰ সংস্কৃতি

নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

☏: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com


প্ৰসংগ : অজাবি/০০৯/১০/২২-২৩
*Ref :*

তাৰিখ : ১৫-০৮-২০২২
*Date :*

## অসম জাতীয় বিদ্যালয়ত স্বাধীনতা দিৱস উদ্‌যাপন

**নুনমাটি, গুৱাহাটী, ১৫ আগষ্ট ঃ** দেশৰ ৭৬ সংখ্যক স্বাধীনতা দিৱস আজি অসম জাতীয় বিদ্যালয়তো উদ্‌যাপন কৰা হয়। এই উপলক্ষে আজি পুৱা বিদ্যালয়ৰ বাকৰিত বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। পতাকা উত্তোলন কৰি দিয়া ভাষণত তেওঁ ভাৰতৰ স্বাধীনতা সংগ্ৰামত প্ৰাণ আহুতি দিয়া বীৰ ছহিদসকলক শ্ৰদ্ধাৰে সোঁৱৰণ কৰাৰ লগতে ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ ইতিহাস সঠিকভাৱে অধ্যয়ন কৰিবলৈ বিদ্যালয়ৰ শিক্ষাৰ্থীসকলক আহ্বান জনায়। স্বাধীনতা দিৱসৰ সৈতে সংগতি ৰাখি আয়োজন কৰা সাংস্কৃতিক অনুষ্ঠানত বিদ্যালয়ৰ একাংশ শিক্ষাৰ্থীয়ে দেশপ্ৰেমমূলক গীত-মাত, নৃত্য আদি পৰিৱেশন কৰে। অনুষ্ঠানত বিদ্যালয়ৰ চতুৰ্থ শ্ৰেণীৰ শিক্ষাৰ্থী পল ভৰালীয়ে স্বাধীনতা দিৱসৰ অনুভৱ প্ৰকাশ কৰে। ভাৰতৰ স্বাধীনতা আন্দোলনত অসমীয়া ছাত্ৰৰ ভূমিকা শীৰ্ষক বক্তৃতা আগবঢ়ায় বিদ্যালয়ৰ দশম শ্ৰেণীৰ শিক্ষাৰ্থী টিনা চক্ৰৱৰ্তীয়ে ।আনহাতে নৱম শ্ৰেণীৰ শিক্ষাৰ্থী দিয়াক্ষী দত্তই দেশপ্ৰেমমূলক গীত পৰিৱেশন কৰাৰ লগতে দশম শ্ৰেণীৰ শিক্ষাৰ্থী প্ৰজ্ঞান বৰুৱাই বাঁহীবাদনেৰে উপস্থিত সকলোকে আপ্লুত কৰে। বিদ্যালয়ৰ সমাজ বিজ্ঞান বিভাগৰ শিক্ষয়িত্ৰী পৰিণীতা চেতিয়াই ভাৰতৰ স্বাধীনতা সংগ্ৰামত চন্দ্ৰপ্ৰভা শইকীয়ানীৰ বিশেষ উল্লেখেৰে অসমীয়া নাৰীৰ অবদানৰ বিষয়ে আলোকপাত কৰে। অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় বিদ্যালয়ৰ কম্পিউটাৰ বিজ্ঞান বিভাগৰ জ্যেষ্ঠ শিক্ষয়িত্ৰী জিৰি বৰ্মনে। সমগ্ৰ অনুষ্ঠানটিৰ আঁত ধৰে বিদ্যালয়ৰ অসমীয়া বিভাগৰ শিক্ষক ভাস্কৰজ্যোতি হালৈয়ে। অনুষ্ঠানটিৰ আহ্বায়কৰ দায়িত্বত আছিল বিদ্যালয়ৰ অসমীয়া বিভাগৰ শিক্ষয়িত্ৰী সুদীপ্তা চৌধুৰী।

(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়